# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :12-**12-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে আজি গোচৰটো সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। এছ্ আই টিৰ দলে আজি দিনৰ ১১ বজাত কেইবাহাজাৰ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দীপন গাৰ্গৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ্ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল। নিৰ্ধাৰিত সময়ৰ ভিতৰত এছ্ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা দাখিল সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এতিয়া আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব।

**ৰাইট (চি এম)**

০০০০০০

তামুলপুৰৰ আয়ুক্ত কাৰ্যালয়ত আজি হাতী মানুহৰ সংঘাট সন্দৰ্ভত বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিতংভাৱে আলোচনা কৰে। জিলাখনৰ বন বিভাগৰ বাবে পৰ্যাপ্ত বাহন, অস্ত্ৰ-শস্ত্ৰ, তৰ্চ আদি যোগান ধৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জিলাখনত হৈ থকা বহুকেইটা অবৈধ খনন কাৰ্য ৰোধ কৰাৰ ক্ষেত্ৰতো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে আৰু জিলা বন বিষয়াক চালান বন্ধ কৰিবলৈ পৰামৰ্শ দিয়ে। হাতী মানুহৰ সংঘাটৰ ৰোধ কৰাৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে গজমিত্ৰ নিয়োগ কৰাৰ চিন্তা চৰ্চাৰ কথা জানিবলৈ দিয়ে। বনমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে হাতীয়ে কৃষকৰ শস্যপথাৰ নষ্ট কৰিলে প্ৰতি বিঘাত ৮ হাজাৰ টকাকৈ ক্ষতিপূৰণ লাভ কৰিব।

তেওঁ লগতে কয়, যে কোনো লোক হাতীৰ আক্ৰমণত নিহত হ'লে তেওঁৰ পৰিয়ালে ৬ লাখ টকা সাহায্য লাভ কৰিব আৰু তাৰ বাবে কোনো পোষ্ট মৰ্টেম ৰিপৰ্ট বা গাওঁবুঢ়াৰ প্ৰমাণপত্ৰ প্ৰয়োজন নহ'ব। আজিৰ

সভাখনত বাক্সাৰ জিলা বন বিষয়া, উত্তৰ কামৰূপৰ বন বিষয়াৰ উপৰিও জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বিমল বৰাই আজি অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত কেছাং নুৰূপ ডামু, আৰক্ষী অধীক্ষক থোটান জাম্বা আৰু তেজুৰ 25TH ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে লগতে আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি নিহতসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকটাত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়েও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ পৰিয়াললৈ ৫ লাখ টকা এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে।

০০০০০০

নগাঁৱৰ বৰক'লাত ১৪ ডিচেম্বৰত অসমীয়া শিখ সন্থাৰ এখন বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। অধিবেশনৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰহিলৈ হ'বলগীয়া এই অধিবেশন পতাকা উত্তোলন কাৰ্যসূচীৰে আৰম্ভ হ'ব। দিনৰ ভাগত হুকুমনামা পাঠ, সাধাৰণ সভা আৰু বিষয় বাচনি সভাও অনুষ্ঠিত হ'ব। এই বিশেষ অধিবেশনৰ সকলো কাৰ্যসূচীত সংশ্লিষ্ট সকলোকে উপস্থিত থাকিবলৈ উদযাপন সমিতিৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

০০০০০০

গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰাক্ষসিনী সংৰক্ষিত বনাঞ্চলত আজি সন্ধিয়া বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, বনাঞ্চলটোত হাত খেদিবলৈ যোৱাৰ সময়তে এই ঘটনাটো সংঘটিত হয়।

০০০০০০

**ঃঃ সমাপ্ত ঃঃ**